# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 09-07-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মেলবৰ্নত অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানেজৰ সৈতে আলোচনাত মিলিত হ'ব।

২। নতুন দিল্লীত অনুষ্ঠিত ভাৰত আৰু ম্যানমাৰৰ মাজৰ ২৩ সংখ্যক ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৈঠকত দ্বিপাক্ষিক নিৰাপত্তা সহযোগিতাৰ বিষয়ত পৰ্যালোচনা কৰা হয়।

৩। ইৰানৰ সামৰিক ঘাটিকে ধৰি অন্যান্য স্থানক লক্ষ্য কৰি প্ৰত্যাক্ৰমণ চলোৱা হৈছে বুলি আমেৰিকাই আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে।

৪। উইম্বলডন জুনিয়ৰছত বিগত ৩৬ বছৰত ল'ৰাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে অৰ্ণৱ পাপৰকাৰে ইতিহাস ৰচনা কৰিছে। *আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি নিশা ব্ৰিষ্টলৰ কাউণ্টি গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মেলবৰ্নত অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী এন্থনী আলবানেজৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাৰ মাজৰ আলোচনাই বাণিজ্য, প্ৰতিৰক্ষা, গুৰুত্বপূৰ্ণ প্ৰযুক্তি, শিক্ষা আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ভাৰত-অষ্ট্ৰেলিয়া ব্যাপক কৌশলগত অংশীদাৰিত্বক নতুন গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে। শ্ৰীমোদীয়ে এই ভ্ৰমণকালত ভাৰত -অষ্ট্ৰেলিয়া মুখ্য কাৰ্যবাহী বিষয়াসকলৰ মঞ্চত অংশগ্ৰহণৰ লগতে দুয়োখন দেশৰ ব্যৱসায়ী নেতাসকলক উদ্দেশি ভাষণ দিব। তেওঁ লগতে মেলবৰ্নত আয়োজিত এটা অনুষ্ঠানত প্ৰবাসী ভাৰতীয়সকলৰ সৈতে মত বিনিময় কৰিব। উল্লেখযোগ্য যে ত্ৰিদেশীয় ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত ইণ্ডোনেছিয়া ভ্ৰমণ সামৰি শ্ৰীমোদী তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি সন্ধিয়া অষ্ট্ৰেলিয়াত উপস্থিত হয়।

ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলে প্ৰধানমন্ত্ৰী মোদীক নৃত্য-গীতেৰে মেলবৰ্নত আদৰণি জনায়। অষ্ট্ৰেলিয়াত থকা ভাৰতৰ উচ্চায়ুক্ত নাগেশ সিঙে কয়, যে এটা দশকত তৃতীয়বাৰৰ বাবে শ্ৰীমোদীৰ অষ্ট্ৰেলিয়া ভ্ৰমণে বিগত বছৰসমূহত দেশখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় হোৱাকে প্ৰতিফলিত কৰিছে।

ooooo

নতুন দিল্লীত অনুষ্ঠিত ভাৰত আৰু ম্যানমাৰৰ মাজৰ ২৩ সংখ্যক ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৈঠকৰ কালি সামৰণি পৰে। দুদিনীয়াকৈ আয়োজিত এই বৈঠকত দুয়োখন দেশে দ্বিপাক্ষিক নিৰাপত্তা সহযোগিতা আৰু দ্বিপাক্ষিক আলোচনাৰ অধীনত অগ্ৰগতিৰ পৰ্যালোচনা কৰে। গৃহ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে দুয়োখন দেশে সন্ত্ৰাসবাদ, উগ্ৰবাদ, মাদক দ্ৰব্য আৰু অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ, মানৱ সৰবৰাহ, বন্যপ্ৰাণী সৰবৰাহ, চাইবাৰ অপৰাধ তথা অন্যান্য সংগঠিত অপৰাধকে ধৰি আন্তঃৰাষ্ট্ৰীয় অপৰাধৰ বিৰুদ্ধে কাম কৰাৰ ক্ষেত্ৰত

সহযোগিতা বৃদ্ধিৰ বিষয়ত আলোচনা কৰে। দুয়ো পক্ষই লগতে উমৈহতীয়া নিৰাপত্তাজনিত প্ৰত্যাহ্বানসমূহ সমাধান কৰাৰ বাবে ক্ষমতা গঢ়ি তোলা আৰু চোৰাংচোৱাৰ তথ্যসমূহ আদান-প্ৰদানৰ ক্ষেত্ৰত সন্মতি প্ৰকাশ কৰে। এই বৈঠকে দুয়োখন দেশৰ দীৰ্ঘদিনীয়া মিত্ৰতা তথা অংশীদাৰিত্বৰ প্ৰয়োজনীয়তা পুনৰ নিশ্চিত কৰাৰ উপৰি উমৈহতীয়া স্বাৰ্থৰ বাবে সহযোগিতা শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাও নিশ্চিত কৰে।

বৈঠকত ভাৰত-ম্যানমাৰ সীমান্তৰ বৰ্তমানৰ নিৰাপত্তা পৰিস্থিতি পৰ্যালোচনা কৰাৰ লগতে সীমান্ত অঞ্চলত শান্তি, স্থিৰতা আৰু সুৰক্ষা বৰ্তাই ৰখাৰ প্ৰয়োজনীয়তা পুনৰ নিশ্চিত কৰা হয়। দুয়োখন দেশে কালাদান মাল্টি ম'ডেল ট্ৰাঞ্জিত ট্ৰান্সপ'ৰ্ট প্ৰকল্প আৰু ভাৰত-ম্যানমাৰ-থাইলেণ্ড ত্ৰিপাসিক ঘাইপথ সম্পূৰ্ণ কৰাৰ দিশত সহযোগিতাৰে কাম কৰাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। বৈঠকত ভাৰতীয় প্ৰতিনিধিসকলক গৃহ সচিব গোবিন্দ মোহনে নেতৃত্ব দিয়াৰ বিপৰীতে ম্যানমাৰৰ প্ৰতিনিধি দলক দেশখনৰ গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ উপ-মন্ত্ৰী মেজৰ জেনেৰেল মিন থুৱে নেতৃত্ব দিয়ে।

00000

ইৰানে হৰমুজ প্ৰণালীত জাহাজৰ ওপৰত আক্ৰমণ চলোৱাৰ পিছদিনাই আমেৰিকাৰ সামৰিক বাহিনীয়ে ইৰানত পুনৰ আক্ৰমণ চলাইছে। ইৰানৰ সামৰিক ঘাটি আৰু ইয়াৰ সৈতে জড়িত স্থানসমূহ লক্ষ্য কৰি এই আক্ৰমণ চলোৱা হৈছে বুলি কালি আমেৰিকাই আনুষ্ঠানিকভাৱে ঘোষণা কৰে।

এই আক্ৰমণৰ কেইঘণ্টামান পূৰ্বে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইৰানৰ আক্ৰমণৰ পাছত দুয়ো দেশৰ মাজত চলি থকা যুদ্ধবিৰতিৰ সমাপ্তি ঘটা বুলি উল্লেখ কৰি অধিক কঠোৰ ব্যৱস্থা গ্ৰহণৰ ভাবুকি দিছিল।

লক্ষ্যণীয়ভাৱে, ইৰানৰ সৈতে কূটনৈতিক আলোচনা আৰু সামৰিক প্ৰত্যুত্তৰৰ ক্ষেত্ৰত ট্ৰাম্পে প্ৰায়ে পৰস্পৰ বিৰোধী বাৰ্তা প্ৰদান কৰি আহিছে। বুধবাৰে তেওঁ পুনৰ ইৰানৰ বিৰুদ্ধে আক্ৰমণৰ ইংগিত দিছিল যদিও, এই সংঘৰ্ষৰ পৰিণতি সুদূৰপ্ৰসাৰী নহ'ব বুলিও আশা প্ৰকাশ কৰিছিল। ইপিনে, ইৰানৰ স্থানীয় সংবাদ মাধ্যমসমূহে দেশখনৰ দক্ষিণ উপকূলীয় চহৰসমূহত শক্তিশালী বিস্ফোৰণৰ শব্দ শুনা পোৱা বুলি প্ৰতিবেদন প্ৰকাশ কৰিছে।

00000

কেন্দ্ৰীয় চৰকাৰে তামিলনাডুৰ কৃষকসকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যে ৰাজ্যখনৰ পৰা খোপ্ৰা আৰু তোতাপুৰী আম ক্ৰয় কৰাৰ বাবে অনুমোদন জনাইছে। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে জনোৱা অনুসৰি, এই পদক্ষেপৰ জৰিয়তে উৎপাদকসকলে তেওঁলোকৰ সামগ্ৰীৰ উপযুক্ত মূল্য লাভ কৰিব আৰু বজাৰৰ অস্থিৰতাৰ পৰা সুৰক্ষা পাব।

তামিলনাডু চৰকাৰৰ প্ৰস্তাৱৰ ভিত্তিত কেন্দ্ৰই এই অনুমোদন প্ৰদান কৰিছে। এই সিদ্ধান্তৰ অধীনত ৰাজ্যখনৰ পৰা ৮৭ হাজাৰ মেট্ৰিক টনতকৈও অধিক কোপ্ৰা সংগ্ৰহ কৰা হ'ব। এই সমগ্ৰ ক্ৰয় প্ৰক্ৰিয়া মূল্য সমৰ্থন আঁচনিৰ অধীনত ন্যূনতম সমৰ্থন মূল্যত সম্পন্ন হ'ব। অনুমোদন জনোৱা এই খোপ্ৰা ক্ৰয়ৰ মুঠ মূল্য এহেজাৰ কোটি টকাতকৈও অধিক।

ইয়াৰ লগতে, MIS অৰ্থাৎ বজাৰ হস্তক্ষেপ আঁচনিৰ অধীনত চলিত বৰ্ষত তামিলনাডুৰ পৰা ৯৬ হাজাৰ মেট্ৰিক টনতকৈও অধিক তোতাপুৰী আম ক্ৰয়ৰ বাবেও চৰকাৰে অনুমোদন দিছে আৰু প্ৰতি কুইণ্টলৰ বাবে বজাৰ হস্তক্ষেপ মূল্য ১০০০ টকাতকৈ অধিক ধাৰ্য কৰা হৈছে। এই ব্যৱস্থাৰ মূল লক্ষ্য হৈছে তোতাপুৰী আম খেতিয়কসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ কৰা তথা বজাৰত হঠাতে দাম হ্ৰাস পোৱাৰ ফলত হোৱা লোকচানৰ পৰা হাত সৰাটো সুনিশ্চিত কৰা।

খোপ্ৰা আৰু তোতাপুৰী আমৰ এই বৃহৎ পৰিমাণৰ ক্ৰয়ে তামিলনাডুৰ কৃষকসকলৰ উপাৰ্জন বৃদ্ধি কৰাৰ লগতে গ্ৰামীণ অৰ্থনীতিক শক্তিশালী কৰিব আৰু কৃষি খণ্ডৰ প্ৰতি আস্থা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আজি ওড়িশাৰ ভূৱনেশ্বৰলৈ যাব। এই ভ্ৰমণ কালত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ভূৱনেশ্বৰত থকা ওড়িশা কৃষি আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ৰ মুকলি সমুদ্ৰৰ মৎস্য পালনৰ বাবে প্ৰাধিকৰণ পত্ৰ জাৰি কৰা শুভাৰম্ভণি কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। তেওঁ লগতে ওড়িশাৰ গভীৰ সমুদ্ৰত মাছ ধৰাৰ নথিও মুকলি কৰিব। পাছত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ভূৱনেশ্বৰত ৰাষ্ট্ৰীয় বিজ্ঞান, শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ পঞ্চদশ সমাৱৰ্তন সমাৰোহত ভাগ ল'ব।

০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি নিশা ব্ৰিষ্টলৰ কাউণ্টি গ্ৰাউণ্ডত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ১০ বজাত আৰম্ভ হ'ব। শৃংখলাটোত সম্প্ৰতি ২-০ত পিছপৰি থকা ভাৰতে বাবে আজিৰ খেলখনত জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাব। ইংলেণ্ডৰ বিৰুদ্ধে তৃতীয়খন খেলত ১২৫ ৰানত পৰাজিত হোৱাৰ পাছত অধিনায়ক শ্ৰেয়াছ আয়াৰ আৰু মুখ্য প্ৰশিক্ষক গৌতম গম্ভীৰ যথেষ্ট চাপত আছে।

০০০০০

ফ্ৰান্স, মৰক্কো, ন'ৰৱে, ইংলেণ্ড, স্পেইন, বেলজিয়াম, আৰ্জেটিনা আৰু ছুইজাৰলেণ্ডে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। শুকুৰবাৰে হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্স- মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ডেৰ বজাত আৰম্ভ হ'ব। স্পেইন শনিবাৰে নিশা চাৰে ১২ বজাত হ'বলগীয়া দ্বিতীয়খন কোৱাৰ্টাৰ ফাইনেলত বেলজিয়ামৰ সন্মুখীন হ'ব। একেদৰে, প্ৰথমবাৰৰ বাবে বিশ্বকাপৰ কোৱাৰ্টাৰ ফাইনেলত স্থান লাভ কৰা ন'ৰৱে অহা দেওবাৰে  ইংলেণ্ডৰ আৰু আৰ্জেণ্টিনা, ছুইজাৰলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

উইম্বলডন জুনিয়ৰছত বিগত ৩৬ বছৰত ল'ৰাৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰা প্ৰথমগৰাকী ভাৰতীয় হিচাপে অৰ্ণৱ পাপৰকাৰে ইতিহাস ৰচনা কৰিছে। ১৮ বছৰীয়া পাপৰকাৰে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত জাপানৰ ৰাইয়' টাবাতাক ৬-২, ৬-১ ছেটত পৰাস্ত কৰে। পাপৰকাৰে ইয়াৰ পূৰ্বৰ দুটা ৰাউণ্ডত গ্ৰেট ব্ৰিটেইনৰ জছোৱা ক্ৰেজ আৰু আমেৰিকাৰ কেটন হাঙ্গেক পৰাস্ত কৰে। খেলুৱৈগৰাকী আজি কোৱাৰ্টাৰ ফাইনেলত আমেৰিকাৰ জৰ্ডান লিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে ১৯৫৪ চনত

ৰামানাথন কৃষ্ণন, ১৯৭৯ চনত ৰমেশ কৃষ্ণন আৰু ১৯৯০ চনত লিয়েণ্ডাৰ পেজকে ধৰি কেৱল তিনিজন ভাৰতীয়ই উইম্বলডন জুনিয়ৰৰ ল'ৰাৰ ছিংগছলৰ খিতাপ জয় কৰিছে।

ooooo

জাকাৰ্টাত অনুষ্ঠিত ১৯ আৰু ২৩ বছৰ অনুৰ্ধৰ এছিয়ান বক্সিং চেম্পিয়নশ্বিপত ভাৰতীয় মহিলা বক্সাৰসকল শক্তিশালী প্ৰদৰ্শনেৰে উজলি উঠিছে। প্ৰতিযোগিতাখনৰ ২৩ বছৰ শাখাত কালি কোৱাৰ্টাৰ ফাইনেলৰ খেলসমূহৰ অন্তত ভাৰতৰ ৯ গৰাকী খেলুৱৈয়ে ছেমি-ফাইনেলত প্ৰৱেশ কৰি পদক সুনিশ্চিত কৰিছে।

কালিৰ খেলসমূহৰ মাজত ৫১ কেজি শাখাত তনু ৫৪ কেজি শাখাত নিশাই একপক্ষীয়ভাৱে নিজ নিজ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰাৰ বিপৰীতে ৫৭ কিল'গ্ৰাম শাখাত প্ৰাচী আৰু ৬০ কিলোগ্ৰাম শাখাত নিকিতা চান্দে আৰএছচি পদ্ধতিৰে জয়লাভ কৰে। এওঁলোকৰ উপৰি ৬৫ কিলো শাখাত কঠিন যুঁজৰ অন্তত কাজলেও বিজয় সাব্যস্ত কৰে। ছেমিফাইনেলত স্থান লাভ কৰা দলৰ অন্য খেলুৱৈসকল হৈছে - শিৱানী, মুস্কান, নেইনা আৰু প্ৰিয়ংকা।

অহা ১৬ জুলাইলৈকে জাকাৰ্টাত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাখনে উদীয়মান বক্সাৰসকলৰ বাবে আন্তৰ্জাতিক মঞ্চত নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ সুন্দৰ সুযোগ প্ৰদান কৰিছে।

ooooo

সমাপ্ত